**2017**

ASSAMESE

( Major )

Paper : 2.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো দিয়া : ১×১০=১০

(ক) শঙ্কৰদেৱৰ 'ভক্তি ৰত্নাকৰ' গ্ৰন্থখন গদ্যত কোনে ভাঙনি কৰিছিল ?

(খ) ভূষণ দ্বিজে ৰচনা কৰা চৰিত-পুথিখনৰ নাম কি ?

(গ) 'বুৰঞ্জি বিবেক ৰত্ন' কোনে ৰচনা কৰিছিল ?

(ঘ) 'কলিভাৰত বুৰঞ্জী'ৰ ৰচক কোন ?

(ঙ) 'এ গ্ৰামাৰ অৱ আছামিজ লেংগুৱেজ' কিমান চনত প্ৰকাশ হৈছিল ?

(চ) ন. ল. ফ.-ৰ সম্পূৰ্ণ নাম কি ?

(ছ) 'ফুলমণি আৰু কৰুণাৰ কাহিনী' পুথিখনৰ লেখকগৰাকীৰ নাম কি ?

(জ) 'জাত্রিকৰ জাত্রা'-ৰ অনুবাদকগৰাকীৰ নাম লিখা।

(ঝ) ভৱানন্দ পাঠকৰ প্ৰকৃত নাম কি?

(ঞ) কাৰ পৃষ্ঠপোষকতাত 'আবাহন' আলোচনীখন প্ৰকাশ পাইছিল?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) কবিৰাজ চক্ৰৱৰ্তীৰ প্ৰকৃত নাম কি? তেওঁ ৰচনা কৰা এখন কাব্যপুথিৰ নাম লিখা।

(খ) 'ত্ৰিপুৰা বুৰঞ্জী' প্ৰণয়ন কৰা লেখক দুগৰাকী কোন কোন?

(গ) 'অৰুণোদই'ৰ প্ৰভাৱ মুক্ত দুগৰাকী লেখকৰ নাম লিখা।

(ঘ) যতীন্দ্ৰনাথ দুৱৰাই 'ওমৰ তীৰ্থ' নাম দি অনুবাদ কৰা কাব্যপুথিখনৰ মূল গ্ৰন্থখনৰ নাম কি? এই গ্ৰন্থখনৰ ৰচক কোন?

(ঙ) মহীচন্দ্ৰ বৰাই কোনখন আলোচনীৰ জৰিয়তে গল্পকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল? তেওঁৰ এখন গল্পপুথিৰ নাম লিখা।

৩। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) গুণাভিৰাম বৰুৱাৰ সাহিত্যকৃতিৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(খ) অসমীয়া ব্যৱহাৰিক জ্ঞানৰ পুথিসমূহৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(গ) কোচবেহাৰত ৰচিত অসমীয়া সাহিত্যৰাজিৰ বিষয়ে এটি পৰিচয়মূলক বিৱৰণ দাঙি ধৰা।





(ঘ) গোবিন্দ মিশ্ৰ কোন? তেওঁৰ সাহিত্যকৃতিৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(ঙ) নলিনীবালা দেৱীৰ কাব্যকৃতিৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(চ) ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতি সম্বন্ধে এটি আলোচনা যুগুত কৰা।

৪। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) উত্তৰ শংকৰী যুগত ৰচিত অসমীয়া ৰামায়ণী সাহিত্যৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা।

(খ) অসমীয়া চৰিত সাহিত্যৰ পটভূমি বিচাৰ কৰি গদ্যচৰিতসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(গ) দৰঙ্গ ৰাজ্যত ৰচিত পুৰণি অসমীয়া সাহিত্যৰাজিৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(ঘ) অৰুণোদয় যুগৰ খৃষ্টিয়ান লেখকসকলৰ অসমীয়া সাহিত্যচৰ্চা সম্বন্ধে এটি নিবন্ধ যুগুত কৰা।

(ঙ) ৰোমান্টিক সাহিত্যৰ সংজ্ঞা আৰু বৈশিষ্ট্য বিচাৰ কৰি অসমীয়া ৰোমান্টিক কবিতাৰ বিষয়ে এটি চমু পৰ্যালোচনা দাঙি ধৰা।

(চ) 'আবাহন'ৰ পাতত আত্মপ্ৰকাশ কৰা চুটিগল্পকাৰসকলৰ বিষয়ে এটি পৰিচয়মূলক আলোচনা আগবঢ়োৱা।

(ছ) 'জোনাকী' আলোচনী প্ৰকাশৰ পটভূমি সম্পৰ্কে লিখি জোনাকী যুগৰ যি কোনো এগৰাকী কবিৰ কাব্যকৃতি সম্পৰ্কে আলোচনা কৰা।

★★★

(গ) দেৱকান্ত বৰুৱাৰ 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাটোৰ আধাৰত দেৱকান্ত বৰুৱাৰ কবিতা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঘ) "বিষয়বস্তু, শব্দচয়ন, চিত্ৰকল্প (imagery), দৃষ্টিভংগী, আদৰ্শ, সমাজচেতনা—এই সকলো ক্ষেত্ৰতে বৰ্তমান কবিতা ৰোমান্টিক কবিতাৰ পৰা প্ৰভেদ।" নৱকান্ত বৰুৱাৰ 'পলস' কবিতাটিৰ উল্লেখনেৰে কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰা।

(ঙ) নিৰ্মলপ্ৰভা বৰদলৈ ৰচিত 'দ্ৰৌপদী' কবিতাটোত নাৰী-মনস্তত্ত্ব কিদৰে প্ৰকাশ পাইছে, বিশ্লেষণ কৰা।

(চ) নীলমণি ফুকনৰ 'মুঠি মুঠিকৈ কাটি তোৰ ঢেকীয়াৰ আঙুলি' শীৰ্ষক কবিতাটোত অসমীয়া সমাজৰ গ্ৰাম্যজীৱনৰ সজীৱ চিত্ৰ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ছ) উত্তৰ স্বাধীনতা যুগৰ কবিতাৰ ধাৰা সম্পৰ্কে এটি আলোচনা উদাহৰণসহ আগবঢ়োৱা।

(জ) ৰাম গগৈৰ 'নদী' শীৰ্ষক কবিতাটোত কবিৰ জীৱনৰ সৈতে নদীক কিদৰে সম্পৃক্ত কৰা হৈছে, বহলাই আলোচনা কৰা।

★★★





# 2017

## ASSAMESE

## ( Major )

Paper : 2.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×১০=১০

(ক) "Poetry is spontaneous overflow of powerful feelings" কবিতা সম্পৰ্কে আগবঢ়োৱা উক্ত কথাষাৰ কোনে কৈছিল?

(খ) 'বাঁহী' কাকতখনৰ সম্পাদক কোন আছিল?

(গ) প্ৰথম অসমীয়া চনেট পুথিখনৰ নাম কি?

(ঘ) 'কাৰবালা' শীৰ্ষক কবিতাৰ পুথিখন কাৰ ৰচনা?

(ঙ) পাৰস্যৰ কবি ওমৰ খৈয়ামৰ 'ৰুবায়ত'ৰ অসমীয়ালৈ ভাঙনি কৰা যতীন্দ্ৰনাথ দুৱৰাৰ পুথিখনৰ নাম কি?

(চ) নলীনিবালা দেৱীৰ প্ৰথম কবিতা-পুথিখনৰ নাম কি?

(ছ) শেৱালিৰ কবি বুলি কাক আখ্যা দিয়া হয়?

(জ) যুগসন্ধিৰ কবি বুলি কাক কোৱা হয়?

(ঝ) হেম বৰুৱা ৰচিত কবিতাৰ সংকলন এখনৰ নাম লিখা।

(ঞ) নীলমণি ফুকনৰ কবিতা-পুথি এখনৰ নাম লিখা।

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) ১৯৪০-ৰ দশকত প্ৰকাশ পোৱা এখন আলোচনীৰ নাম লিখা আৰু আলোচনীখনৰ সম্পাদকগৰাকীৰ নাম উল্লেখ কৰা।

(খ) নৰকান্ত বৰুৱাৰ প্ৰথম কাব্যচয়নখনৰ নাম কি? কাব্যচয়নখন কোন চনত প্ৰকাশ হৈছিল?

(গ) ১৯৪৬ চনত কলিকতাৰ সাম্প্ৰদায়িক সংঘৰ্ষত অকালতে প্ৰাণ হেৰুওৱা 'জয়ন্তী' যুগৰ উদীয়মান কবিগৰাকীৰ নাম কি? তেওঁৰ এটি কবিতাৰ নাম উল্লেখ কৰা।

(ঘ) সাম্প্ৰতিক কবিতাৰ দুটা লক্ষণ উল্লেখ কৰা।

(ঙ) সাম্প্ৰতিক কবিতাৰ ধাৰাৰ দুগৰাকী কবিৰ নাম উল্লেখ কৰা।





৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) অসমীয়া কাব্যসাহিত্যত ৰঘুনাথ চৌধাৰীৰ স্থান নিৰ্ণয় কৰা।

(খ) ''নহয় ই মৰতৰ ক্ষন্তেকীয়া জীৱনৰ
সুখ-আশা পৰমপদৰ
ৰূপ-তৃষ্ণা চিৰসুন্দৰৰ।''

কবিতাফাঁকিৰ অন্তৰ্নিহিত ভাৱ স্পষ্ট কৰা।

(গ) অম্বিকাগিৰি ৰায়চৌধুৰীৰ কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে এটি টোকা যুগুত কৰা।

(ঘ) 'মমতাৰ চিঠি' শীৰ্ষক কবিতাটোত মমতাৰ জীৱনৰ কাৰুণ্য কেনেদৰে প্ৰকাশ পাইছে, বিচাৰ কৰা।

(ঙ) ''দুৰ্গাৰ কবিতাসমূহ সাৱলীল, কোমল, মধুৰ, স্বচ্ছন্দ গতিসম্পন্ন, কৰুণ ৰসসিক্ত আৰু আত্মকেন্দ্ৰিক।'' উক্ত কথাষাৰৰ যথাৰ্থতা নিৰূপণ কৰা।

(চ) ৰত্নকান্ত বৰকাকতিৰ 'বিশ্বহৰণ' নামৰ কবিতাটিৰ মূলভাৱ লিখা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) অসমীয়া কাব্যসাহিত্যলৈ 'জোনাকী কাকত'ৰ অৱদান শীৰ্ষক এটি বিশ্লেষণ আগবঢ়োৱা।

(খ) তোমাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত 'কবি' নামৰ কবিতাটোৰ আধাৰত চতুৰ্দ্দশপদী কবিতাৰ বৈশিষ্ট্যসমূহ ফঁহিয়াই আলোচনা কৰা।